# গ্ৰন্থ প্ৰকাশনা

## (Book publishing)

মুদ্ৰিত প্ৰকাশনাৰ প্ৰথম স্তৰ হ'ল কিতাপ। সমগ্ৰ গণমাধ্যমৰ ভিতৰতে কিতাপ হ'ল মাতৃ-দুগ্ধৰ নিচিনা। ইয়াৰ কোনো বিকল্প নাই। কিতাপ হ'ল আদি গণমাধ্যম। বৰ্তমান গোটেই পৃথিৱীতে প্ৰতি বছৰে ছয় লাখকৈ নতুন কিতাপ প্ৰকাশ হৈছে।

**পটভূমি ঃ**

যদিও মুদ্ৰণ আৱিষ্কাৰৰ আগতে কিতাপে গণমাধ্যমৰ ৰূপ লোৱা নাছিল, কিন্তু সংযোগৰ মাধ্যম হিচাপে ই আৱিৰ্ভূত হয় লিপি আৱিষ্কাৰৰ লগে লগে। ১৪৫৬ চনত গুটেনবাৰ্গে জাৰ্মানিৰ মেইঞ্জ চহৰত সৰ্বপ্ৰথমে মুদ্ৰিত কিতাপ বাইবেল প্ৰকাশ কৰে। ভাৰতবৰ্ষত অষ্টাদশ শতাব্দীৰ শেষৰ পৰা অবিৰতভাৱে কিতাপ প্ৰকাশ হৈ আহিছে।

মুদ্ৰণ যন্ত্ৰৰ আৱিষ্কাৰৰ পাছত ১৪৭৬ চনৰ উইলিয়াম কেক্সটনে ইংলেণ্ডত প্ৰথম কিতাপ প্ৰকাশ আৰম্ভ কৰে। তেওঁ ১৫১০ চনৰ ভিতৰত মুঠ ১৩ খন ইংৰাজী কিতাপ প্ৰকাশ কৰে। তেওঁৰ প্ৰকাশিত প্ৰথম কিতাপ হোমাৰৰ ইলিয়াড। ১৬০০ চনৰ ভিতৰত ইংলেণ্ডত প্ৰতি বছৰে এশ প্ৰকাশকে মুঠ ১৫০ খন কিতাপ প্ৰকাশ কৰিছিল। ইউৰোপৰ বিভিন্ন দেশত ১৫০০ চনৰ ভিতৰত ৩৫ হাজাৰ কপি মুদ্ৰিত কিতাপ প্ৰচাৰিত কৰিছিল। অৱশ্যে কিতাপ প্ৰকাশনাৰ প্ৰথম অৱস্থা যথেষ্ট তিক্ত পৰিস্থিতিৰ মুখামুখি হয়। ১৫২৯ চনত ইংলেণ্ডত অষ্টম হেনৰীৰ দ্বাৰা নিয়ন্ত্ৰিত কিতাপ প্ৰকাশ আইনৰ ফলত চেন্সৰশ্বিপ প্ৰথা আৰু প্ৰকাশকে লাইচেন্স ল'ব লগা হয়। ১৬২০ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পেনছিলভেনিয়াত দুজন মুদ্ৰকে অৱতৰণ কৰিছিল। ১৬৪০ খ্ৰীষ্টাব্দত তাত কিতাপ প্ৰকাশৰ আৰম্ভণি হয়। সেই বছৰৰ পৰা পিউৰিটান কেম্ব্ৰিজ প্ৰিণ্টিং প্ৰেছে ১৮২০ চনৰ ভিতৰত আমেৰিকাত ৫০ হাজাৰ টাইটেল প্ৰকাশ কৰে। ভাৰতবৰ্ষত ১৫৫৬-ৰ পৰা ১৬৭৪ চনলৈ গোৱা প্ৰেছৰ পৰা ৩৪ খন কিতাপ প্ৰকাশ কৰা হৈছিল। অষ্টাদশ শতিকাৰ শেষৰ ফালে কলকাতাত কেইবাটাও প্ৰেছ প্ৰতিষ্ঠিত হয়। ১৮০০ চনত শ্ৰীৰামপুৰত প্ৰতিষ্ঠিত হয় শ্ৰীৰামপুৰ মিশ্যন প্ৰেছ— য'ৰ পৰা প্ৰথম অসমীয়া গ্ৰন্থ ধৰ্মপুস্তিকা প্ৰকাশ কৰা হৈছিল। ১৮৮৫-৮৬ চনত সমগ্ৰ ভাৰতত মুঠ ১০৯৪ টা ছপাশাল আছিল। আৰু প্ৰকাশিত কিতাপৰ সংখ্যা আছিল ৭,৯৯৯ খন।

**গ্ৰন্থ প্ৰকাশৰ আধুনিক যুগ ঃ**

ইউনেস্ক'ৰ হিচাপ অনুসৰি ১৯৫৫ চনৰ পৰা ১৯৯৬ চনৰ ভিতৰত সমগ্ৰ পৃথিৱীত কিতাপৰ উৎপাদন তিনিগুণ বাঢ়িছে।

**আধুনিক কিতাপৰ বজাৰ ঃ**

ইউৰোপত, ১৯৭৫ চনত ছপা হৈছিল আঠশ কোটি কিতাপ। সেই চনত ছোভিয়েট ৰাছিয়াত ৮৩ হাজাৰ কিতাপ আৰু পুস্তিকা প্ৰকাশিত হৈছিল। এই দেশত শিক্ষিতৰ শতকৰা হাৰ আছিল ৯৯.৭ ভাগ। শতকৰা ৯৫ টা পৰিয়ালৰে নিজৰ পুথিভঁৰাল আৰু তিনিলাখ যাঠি হাজাৰ পাব্লিক লাইব্ৰেৰি আছিল।

গ্ৰেট বৃটেইনত প্ৰতি বছৰে প্ৰকাশ হয় দহ কোটি পাউণ্ডৰ কিতাপ। বিশ্বৰ মুঠ গ্ৰন্থ উৎপাদনৰ শতকৰা ৪৮.৩ ভাগ কিতাপেই প্ৰকাশিত হয় ইউৰোপৰ পৰা। ১৬.৮ ভাগ প্ৰকাশ হয় উত্তৰ আমেৰিকাৰ পৰা। আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা প্ৰতিবছৰে ৩৮ হাজাৰ নতুন কিতাপ প্ৰকাশ হয়। কেৱল পাঠ্যক্ৰম সম্পৰ্কীয় কিতাপৰ পৰাই প্ৰকাশকসকলে প্ৰতি বছৰে আয় কৰে ৩২০ কোটি ডলাৰ। যদিও বিশ্বৰ জনসংখ্যাৰ পঞ্চলিশ শতাংশ লোক এছিয়াত বাস কৰে, কিন্তু কিতাপ উৎপাদনত ইয়াৰ স্থান তৃতীয়। ১৪.৫ শতাংশ কিতাপহে ইয়াৰ পৰা প্ৰকাশিত হয়। ভাৰতবৰ্ষত এক-তৃতীয়াংশ কিতাপ প্ৰকাশিত হয় ইংৰাজীত। বিশ্বৰ শতকৰা ১৩ ভাগ মানুহ আফ্ৰিকাত বাস কৰে যদিও মাত্ৰ শতকৰা ২ ভাগ কিতাপহে ইয়াৰ পৰা প্ৰকাশিত হয়। ইয়াৰ বহু ভাষা, কিতাপ প্ৰকাশৰ ক্ষেত্ৰত ডাঙৰ অন্তৰায়। নাইজেৰিয়াত ভাষা-উপভাষাৰ সংখ্যা চাৰে তিনিশৰ পৰা চাৰিশ। ঘানাত ভাষাৰ সংখ্যা ৫৬ টা।

উন্নয়নশীল দেশসমূহৰ ভিতৰত লেটিন আমেৰিকাৰ দেশসমূহৰ গ্ৰন্থ প্ৰকাশনা বহু পৰিমাণে উন্নত। ইয়াত প্ৰতি বছৰে ২০ হাজাৰ কিতাপ প্ৰকাশ হয়। মেক্সিকো, আৰ্জেণ্টিনা আৰু ব্ৰাজিল কিতাপ প্ৰকাশৰ ক্ষেত্ৰত যথেষ্ট উন্নত। উন্নয়নশীল দেশসমূহৰ শিক্ষাৰ হাৰ বাঢ়িছে যদিও সেই তুলনাত কিতাপৰ পাঠক বঢ়া নাই। ইউনেস্ক'ৰ এটা সমীক্ষাত পোৱা হৈছে যে ইয়াৰ কাৰণ হ'ল উন্নয়নশীল দেশত কিতাপৰ প্ৰচাৰ খুবেই কম। স্থানীয় লেখকৰ সংখ্যা কম, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিষয়ে কিতাপৰ অভাৱ। পুৰণি মুদ্ৰণ পদ্ধতি, কাগজৰ অভাৱ, গ্ৰন্থাগাৰ আন্দোলনৰ ত্ৰুটি, আধুনিক বিপণন ব্যৱস্থাৰ অভাৱ আদি এই দেশসমূহৰ মূল সমস্যা।

**অন্যান্য গণমাধ্যমৰ লগত কিতাপৰ তুলনা ঃ**

১। আয়ুসৰ ফালৰ পৰা অন্যান্য মুদ্ৰণ মাধ্যম, যেনে ঃ বাতৰিকাকত, আলোচনীতকৈ কিতাপৰ স্থায়িত্ব বেছি।

২। কিতাপ সংৰক্ষণ কৰা আন মাধ্যমতকৈ সহজ।

৩। কিতাপ, ৰেডিঅ' বা টেলিভিছনতকৈ বহু পৰিমাণে নিম্নমূল্যবিশিষ্ট।

৪। কিতাপ শিক্ষা বিস্তাৰৰ অপৰিহাৰ্য উপাদান।

৫। কিতাপ এটা ৰপ্তানিযোগ্য আন্তৰ্জাতিক পণ্য। দৈনিক বাতৰিকাকতৰ দৰে প্ৰায়বোৰ মাধ্যমেই ৰপ্তানিযোগ্য নহয়।

৬। কিতাপ প্ৰকাশৰ ক্ষেত্ৰত উন্নয়নৰ আন এটি কাৰণ বিভিন্ন দেশৰ চৰকাৰৰ গ্ৰন্থ প্ৰকাশত অংশগ্ৰহণ। ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পাব্লিকেশ্যন ডিভিজনছ, ৰাষ্ট্ৰায়ত্ত সংস্থা,

নেশ্যনেল বুক ট্ৰাষ্ট আৰু অসম প্ৰকাশন পৰিষদ আদিৰ দৰে ৰাজ্য চৰকাৰৰ নিজস্ব পুথি প্ৰকাশ সংস্থা আছে।

৭। পেছাদাৰ প্ৰকাশকৰ বাদেও কিতাপ প্ৰকাশৰ লগত অসংখ্য প্ৰতিষ্ঠান আৰু ব্যক্তি জড়িত।

৮। কিতাপ, গ্ৰন্থাগাৰসমূহত বিনামূল্যে পঢ়িব পৰা যায়। আকৌ, বহু পাঠ্যপুথি চৰকাৰে বিনামূলীয়াকৈ বিতৰণ কৰে।

৯। সকলো গণমাধ্যমৰ দৰে ই কোনো কায়েমী স্বাৰ্থৰ দ্বাৰা প্ৰভাবিত নহয়। কিতাপৰ স্বাধীনতা আন সকলো মাধ্যমতকৈ বেছি।

১০। কোনো দেশৰ ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰ, সাংস্কৃতিক বিকাশ আৰু জ্ঞান-বিজ্ঞানৰ উন্নতি— এই সকলোৰে কাৰণে প্ৰয়োজন কিতাপৰ।

চাৰিত্ৰিক বৈশিষ্ট্য হিচাপে কিতাপক আমি প্ৰধানতঃ দুটা ভাগত ভাগ কৰিব পাৰোঁ— (১) পাঠ্যপুথি আৰু (২) সাহিত্যৰ কিতাপ।

১। **পাঠ্যপুথি ঃ** পাঠ্যপুথি হ'ব পাৰে নিৰ্ধাৰিত পাঠ্যক্ৰমসম্পৰ্কীয় কিতাপ বা সহায়ক কিতাপ। শিক্ষা প্ৰতিষ্ঠানসমূহত পাঠ্যপুথি আধাৰিত হোৱাৰ বাবে এইবোৰৰ চাহিদা সদায়েই আন কিতাপতকৈ বেছি হয়। প্ৰাথমিক আৰু মাধ্যমিক স্তৰত ভাৰতবৰ্ষত মাতৃভাষাত পাঠ্যপুথি ৰচনা কৰা সম্ভৱ হ'লেও তৃতীয় বিশ্বৰ বহু দেশতেই উচ্চ শিক্ষাৰ ক্ষেত্ৰত মাতৃভাষা ব্যৱহাৰ কৰিব পৰা হোৱা নাই। এই ক্ষেত্ৰত প্ৰধান সমস্যা হৈছে মাতৃভাষাৰ পাঠ্যপুথিৰ অভাৱ। ভাৰতত বৰ্তমান এশখন বিশ্ববিদ্যালয়ত মাতৃভাষাত শিক্ষা দিয়া হয়। ১৯৭৪ চনৰ হিচাপ মতে ভাৰতবৰ্ষত বিশ্ববিদ্যালয় শিক্ষাৰ উপযোগী চাৰিহাজাৰ কিতাপ প্ৰকাশ হয়।

২। **সাহিত্যৰ কিতাপ ঃ** উপন্যাস, কাহিনী, গল্প, প্ৰবন্ধ, নাটক, কবিতা আদিৰ কিতাপসমূহ সাহিত্যৰ অন্তৰ্গত। সাহিত্যৰ গ্ৰন্থ আকৌ শিশু আৰু কিশোৰৰ উপযোগী কৰিও লিখিব পাৰি। সাহিত্যৰ কিতাপসমূহৰ সুবিধা হ'ল ইয়াৰ বিক্ৰী লাহে লাহে হ'লেও ই দীৰ্ঘদিন ধৰি চলি থাকে। পৃথিৱীৰ ইতিহাসত বহু কিতাপে বিক্ৰীৰ ৰেকৰ্ড সৃষ্টি কৰিছে, যেনেদৰে মাৰ্কিন যুক্তৰাষ্ট্ৰত ১৮৫২ চনত প্ৰকাশিত হেৰিয়েট বিচাৰ ষ্টোৱে লেখা 'আংকল টমৃছ কেবিন' নামৰ কিতাপখন প্ৰকাশৰ লগে লগে তিনিলাখ কপি বিক্ৰী হয়। বৃটেইনত বিক্ৰী হয় পোন্ধৰ লাখ।

পুথি প্ৰকাশৰ প্ৰথম যুগৰ পৰা কেইখনমান 'বেষ্ট ছে'লাৰ' কিতাপৰ নাম দিয়া হ'ল—

Orlando Furioso (Ariosto, 1532), Don Quixote (Cervantes, 1605), The Pilgrim's Progress (Bunyan 1688), Robinson Crusoe (Daniel Defoe, 1719), Pamela (Richardson, 1740), Candid (Voltaire, 1759), The Sorrows of Young Werther (Goethe, 1774), The Grapes of Wrath (Richard Liewellyn, 1939) Gone with the Wind (Margaret Mitchell, 1930).

**পেপাৰবেক (Paperback) ঃ**

পেপাৰবেক বা সুলভ সংস্কৰণে প্ৰচাৰৰ ক্ষেত্ৰলৈ যুগান্তৰ আনিছে। শিল্প বিপ্লৱৰ প্ৰসাৰৰ লগে লগে কিতাপে অন্যান্য গণমাধ্যমৰ লগত প্ৰতিযোগিতাত নামিব লগা হৈছে। সুলভ মূল্য আৰু সকলো প্ৰকাৰে সুবিধাজনক এই পেপাৰবেকৰ ইতিহাস খুব পুৰণি নহয়। ১৯৩৫ চনত ইংলেণ্ডৰ বোডলে হেড (Bodley Head) নামৰ পুস্তক প্ৰতিষ্ঠানৰ পৰা পদত্যাগ কৰি সেই প্ৰতিষ্ঠানৰে কৰ্মচাৰী এলেনে (Allen) পেংগুইন বুলি এটা প্ৰতিষ্ঠান খোলে। পাঠকক সস্তা দামত কিতাপ দিয়াই আছিল এই প্ৰতিষ্ঠানৰ মূল উদ্দেশ্য। ২৫ বছৰৰ ভিতৰতে পেংগুইনৰ টাইটেল সংখ্যা হয়গৈ ৩৩০০। অৱশ্যে পেপাৰবেক কিতাপসমূহ বহু আগৰে পৰাই বজাৰত প্ৰচলিত আছিল। ১৪৯৪ চনত প্ৰকাশিত এখন জাৰ্মান কিতাপ ব্ৰিটিছ মিউজিয়ামত দেখা যায়। ১৮৬০ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰত Erasmus Beadle-ৰ ডাইম ছিৰিজৰ উপন্যাসমূহ পেপাৰবেকত প্ৰকাশিত হৈছিল। পেংগুইনৰ অভূতপূৰ্ব সাফল্যই পৃথিৱীত পেপাৰবেকৰ জনপ্ৰিয়তা বঢ়ায়। Penguin, Pan, Panther, Four Square, Fontana, Corgi আদি প্ৰায় ১৫০ টা পুস্তক প্ৰতিষ্ঠান বৃটেইনৰ পেপাৰবেক কিতাপ প্ৰকাশনাত নিয়োজিত আছে। Pan-এ বছৰি ২ কোটি ১০ লাখ কিতাপ বিক্ৰী কৰে। মাৰ্কিন যুক্তৰাষ্ট্ৰত ১৯৭১ চনত পেপাৰবেক কিতাপৰ বিক্ৰী আছিল ২৫ কোটি ৭০ লাখ ডলাৰ।

পেপাৰবেকৰ সাফল্যৰ ডাঙৰ কাৰণ হৈছে ইয়াৰ অৰ্থনীতি। যিমান বেছি সংখ্যক কিতাপ ছপা হয়, ইয়াৰ উৎপাদন খৰচ সিমানেই কমি যায়। ইয়াৰ বাদেও পেপাৰবেকৰ বাবে লেখকৰ ৰয়েল্টিৰ পৰিমাণ কম। পেংগুইনে লেখকসকলক শতকৰা চাৰে সাত ভাগ ৰয়েল্টি দিয়ে। কিতাপ প্ৰকাশনাৰ আন এটি গুৰুত্বপূৰ্ণ অংগ হৈছে বিজ্ঞাপন আৰু বিক্ৰয় কেন্দ্ৰ। পেপাৰবেক সংস্কৰণৰ ব্যয় তুলনামূলকভাৱে অনেক কম; কাৰণ বেছিভাগ কিতাপ প্ৰথমতে হাৰ্ডবাউণ্ড (hardbound) সংস্কৰণ হিচাপে প্ৰকাশ কৰাৰ সময়ত প্ৰচাৰ কাৰ্য চলোৱা হয়। দিয়া হয়। হাৰ্ডবাউণ্ড প্ৰকাশ পোৱাৰ কিছু দিনৰ পাছতহে পেপাৰবেক সংস্কৰণ বজাৰত দিয়া হয়। ফলত আৰু নতুনকৈ প্ৰচাৰ দিয়াৰ দৰকাৰ নহয়। সেইকাৰণে বিজ্ঞাপনৰ ব্যয় বহুলাংশে কমি যায়। পেপাৰবেক বজাৰলৈ অহাৰ আগতেই হাৰ্ডবাউণ্ড (hardbound) কপি বজাৰত থকাৰ বাবে ইয়াৰ প্ৰৱেশ সহজ হয়। এইবোৰ কাৰণতে পেপাৰবেক বিক্ৰীৰ সংখ্যা ক্ৰমবৰ্ধমান। Mickey Spillave-এ লিখা The Bigkill নামৰ কিতাপখনৰ পেপাৰবেকৰ প্ৰথম সংস্কৰণৰ মুদ্ৰণ সংখ্যা আছিল ২৫ লাখ। মাৰ্কিন লেখক John Jakes-ৰ আঠখন কিতাপ প্ৰথমতেই পেপাৰবেক সংস্কৰণ হিচাপে ওলাইছিল। বিক্ৰী হৈছিল চাৰি কোটি কপি।

বৰ্তমানে পেপাৰবেকৰ অভাবনীয় জনপ্ৰিয়তালৈ লক্ষ্য কৰি বহু প্ৰকাশকে পকা বন্ধা কিতাপ প্ৰকাশ কৰাৰ পৰিবৰ্তে পেপাৰবেকেই উলিয়াবলৈ লৈছে। ভাৰতবৰ্ষত হিন্দ পকেট বুকে হিন্দীত সৰ্বভাৰতীয় পেপাৰবেকৰ বজাৰ দখল কৰিছে। অ'ৰিয়েণ্ট, বিকাশ আদি সৰ্বভাৰতীয় প্ৰকাশকসকলে নিয়মিতভাৱে পেপাৰবেক প্ৰকাশ কৰে।